# 2023

# ECONOMICS

## ( Honours Generic/Regular )

Paper : ECO–HG/RC–3016

## ( Principles of Macroeconomics—I )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Why do export form a part of National income?

জাতীয় আয়ত ৰপ্তানীক কিয় এটা অংশ হিচাপে ধৰা হয়?

(b) Define disposable income.

ব্যয়যোগ্য আয়ৰ সংজ্ঞা দিয়া।

*(c)* Which elements are included in aggregate expenditure?

মুঠ ব্যয়ৰ উপাদানবিলাক কি কি?

*(d)* How can we derive investment multiplier from marginal propensity to consume?

প্ৰান্তিক ভোগ প্ৰৱণতাৰ পৰা বিনিয়োগ গুণক কেনেকৈ আমি আহৰণ কৰিব পাৰোঁ?

*(e)* What is meant by transfer payment?

হস্তান্তৰযোগ্য প্ৰদান বুলিলে কি বুজায়?

*(f)* When can net exports be negative?

নিগুট ৰপ্তানী কেতিয়া ঋণাত্মক হয়?

*(g)* What is token money?

প্ৰতীক মুদ্ৰা কি?

*(h)* What is Keynesian concept about money supply?

কেইনচৰ ধাৰণাত মুদ্ৰাৰ যোগানৰ ধাৰণা কি?

*(i)* What is fiscal policy?

ৰাজকোষীয় নীতি কি?

*(j)* Define liquidity trap.

তাৰল্য ফান্দৰ সংজ্ঞা দিয়া।

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Distinguish between Private income and Personal income.

ব্যক্তিগত খণ্ডৰ আয় আৰু ব্যক্তিগত আয়ৰ পাৰ্থক্য লিখা।

*(b)* What is the difference between gross domestic product at factor cost and at market price?

উপাদান ব্যয় আৰু বজাৰ মূল্য আধাৰিত মুঠ ঘৰুৱা উৎপাদনৰ পাৰ্থক্য লিখা।

*(c)* Write two limitations of measurement of National income.

জাতীয় আয় গণনাৰ দুটা সীমাবদ্ধতা লিখা।

*(d)* What are the components of consumption function?

উপভোগ ফলনৰ উপাদানসমূহ কি কি ?

*(e)* Why do people demand liquid cash?

মানুহে তৰল নগদ কিয় চাহিদা কৰে ?

**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain different methods of measuring national income.

জাতীয় আয় গণনা কৰাৰ পদ্ধতিসমূহ ব্যাখ্যা কৰা।

(b) Compute NNP at factor cost from the following information :

তলৰ তথ্যসমূহৰ পৰা উপাদান ব্যয় আধাৰিত নিগুট জাতীয় উৎপাদন উলিওৱা :

| | *Item* বস্তু | ₹ (in crores) টকা (কোটিত) |
|---|---|---|
| 1. | Wages and salaries মজুৰি আৰু বেতন | 435 |
| 2. | Rents খাজনা | 116 |
| 3. | Interest সুত | 84 |
| 4. | Profits লাভ | 125 |
| 5. | Mixed income মিশ্ৰ আয় | 105 |
| 6. | Net factor income from abroad নিগুট উপাদানৰ বৈদেশিক আয় | 70 |

(c) Explain the significance of money in a modern economy.

আধুনিক অৰ্থনীতিত মুদ্ৰাৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(d) Explain the factors determining the marginal propensity to consume.

প্ৰান্তিক ভোগ প্ৰৱণতা নিৰ্ধাৰণ কৰা উপাদানসমূহ ব্যাখ্যা কৰা।

(e) What are the components of money supply? Explain.

মুদ্ৰাৰ যোগানৰ উপাদানসমূহ কি কি? ব্যাখ্যা কৰা।

(f) Discuss the role of monetary policy in controlling inflation.

মুদ্ৰাস্ফীতি ৰোধত আৰ্থিক নীতিৰ ভূমিকা আলোচনা কৰা।

**4.** Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Explain the basic issues of macro-economics. 10

সমষ্টিবাদী অৰ্থনীতিৰ মূল সমস্যাবোৰ ব্যাখ্যা কৰা।

*Or / নাইবা*

What adjustments are to be made to calculate disposable income from GDP? How far does GDP reflect natinoal well-being? 7+3=10

ব্যয়যোগ্য আয় গণনা কৰিবলৈ GDP (মুঠ ঘৰুৱা উৎপাদনত) কি সমন্বয় কৰিব লাগে? জাতীয় কল্যাণত মুঠ ঘৰুৱা উৎপাদন কেনেদৰে প্ৰক্ষেপিত হয়, আলোচনা কৰা।

(b) State and explain Keynesian psychological law of consumption. What are the assumptions of the law? 10

কেইনচৰ মনস্তাত্ত্বিক ভোগ তত্ত্বটো ব্যক্ত আৰু ব্যাখ্যা কৰা। এই তত্ত্বটোৰ অভিধাৰণাসমূহ কি কি?

*Or / নাইবা*

Distinguish between actual and potential GDP. Explain the impact of changes in Govt. expenditure and taxes on National income. 2+8=10

আচল আৰু সম্ভাব্য মুঠ ঘৰুৱা উৎপাদনৰ পাৰ্থক্য লিখা। চৰকাৰী ব্যয় আৰু কৰৰ পৰিৱৰ্তনে জাতীয় আয়ত কেনেদৰে প্ৰভাৱ পেলায়, ব্যাখ্যা কৰা।

(c) Explain how equilibrium national income is determined by classical theorists. 10

সংস্থাপিত তাত্ত্বিকসকলৰ দ্বাৰা ভাৰসাম্য জাতীয় আয় কেনেদৰে নিৰ্ধাৰণ কৰা হৈছিল, ব্যাখ্যা কৰা।

*Or / নাইবা*

Critically explain the cash transaction approach of quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ দেনা-পাওনাৰ তত্ত্বটোৰ এটা সমালোচনাপূৰ্বক ব্যাখ্যা কৰা।

*(d)* What is liquidity preference? Explain how equilibrium rate of interest is determined according to Keynes. 2+8=10

তাৰল্য প্ৰীতি কি? কেইনচৰ তত্ত্ব মতে কেনেদৰে ভাৰসাম্য সুতৰ হাৰ নিৰ্ণয় কৰিব পাৰি, ব্যাখ্যা কৰা।

*Or / নাইবা*

Explain the process of credit creation by Commercial banks. What are the limitations of credit creation power of Commercial banks? 6+4=10

বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা। বাণিজ্যিক বেংকৰ ঋণ সৃষ্টি ক্ষমতাৰ সীমাবদ্ধতাসমূহ কি কি?

★★★